# REGIONAL NEWS UNIT

AKASHVANI GUWAHATI

0000000000

**Date : 14-06-2026**
**Time : 1:40 PM**

## ASSAMESE MIDDAY BULLETIN

:::::::::::::::::::::::::::::::::::::::::::::::::

১।   প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিছু সময় পাছতে ফ্ৰান্সৰ নাইচত ভাৰত ইন'ভেটছ্ কাৰ্যসূচী মুকলি কৰিব।

২।   দেশে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত ১২ বছৰত স্বাস্থ্য খণ্ডত চকুত লগা ধৰণৰ অগ্ৰগতি লাভ কৰা বুলি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

৩।   বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ অভিযোগৰ ভিত্তিত আমেৰিকাৰ যুক্তৰাষ্ট্ৰ এটা সংস্থা আৰু ছগৰাকী লোকৰ বিৰুদ্ধে ভাৰতত গোচৰ ৰুজু কৰা হৈছে।

৪।   কেন্দ্ৰীয় চৰকাৰে বিশিষ্ট অৰ্থনীতিবিদ অধ্যাপক অলখ এম শৰ্মাক শ্ৰম পৰিসংখ্যা বিষয়ক উচ্চস্তৰীয় কাৰিকৰী বিশেষজ্ঞ সমিতিৰ অধ্যক্ষ হিচাপে নিয়োগ কৰিছে।

আৰু

৫।   মহিলাৰ বিশ্বকাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

ছদিনীয়া ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ইতিমধ্যে ফ্ৰান্সত উপস্থিত হৈছে। তেওঁ ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰঁৰ সৈতে একেলগে নাইচত ভাৰত ইনোভেটছ উদ্বোধন কৰিব। এই অনুষ্ঠান ভাৰত-ফ্ৰান্স উদ্ভাৱন বৰ্ষৰ অধীনত আয়োজন কৰা হৈছে। এই অনুষ্ঠানত ১২০ ৰো অধিক ভাৰতীয় ষ্টাৰ্টআপ, গোলকীয় বিনিয়োগকাৰী, আগশাৰীৰ প্ৰযুক্তিবিদ, উদ্যমী আদিৰ সমাবেশ হ'ব। আজি প্ৰধানমন্ত্ৰী মোদী ফ্ৰান্সৰ ৰাষ্ট্ৰপতি মেক্ৰঁৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। এই আলোচনাত দুয়োগৰাকী নেতাই ভাৰত ফ্ৰান্স বিশেষ গোলকীয় কৌশলগত অংশীদাৰিত্বৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব আৰু বিভিন্ন আঞ্চলিক-বৈশ্বিক বিষয়ত মত বিনিময় কৰিব। ইয়াৰ পাছতে শ্ৰীমোদী দুদিনীয়া সূচী লৈ শ্লোভাকিয়ালৈ ৰাওনা হ'ব। শ্লোভাকিয়াৰ পৰা তেওঁ পুনৰ ফ্ৰান্সলৈ আহিব আৰু এভিয়েনত হ'বলগীয়া জি ছেভেন শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব।

০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই দেশে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত ১২ বছৰত স্বাস্থ্য খণ্ডত চকুত লগা ধৰণৰ অগ্ৰগতি লাভ কৰা বুলি প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি সামাজিক মাধ্যমযোগে কয়, যে আয়ুষ্মাণ ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা আৰু আয়ুষ্মাণ আৰোগ্য মন্দিৰৰ পৰা বিভিন্ন ডিজিটেল স্বাস্থ্য পৰিচৰ্যা উদ্যামসমূহে জনসাধাৰণৰ বাবে গুণগত স্বাস্থ্য সেৱা সুলভ কৰি তুলিছে। তেওঁ কয়, যে দেশত অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান এইমছৰ সংখ্যা ২৩লৈ বৃদ্ধি পাইছে। ই সঞ্জীৱনী, কোৱিন আৰু ইউ-বিনৰ দৰে মঞ্চৰ জৰিয়তে জনসাধাৰণে সহজে স্বাস্থ্য সেৱা লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নাতিন গাডকাৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত দশকৰ দেশৰ স্বাস্থ্য খণ্ডৰ ব্যাপক ৰূপান্তৰ হোৱা বুলি মন্তব্য কৰিছে। শ্ৰী গাডকাৰীয়ে আজি সামাজিক মাধ্যমযোগে কয়, যে আয়ুষ্মাণ ভাৰত যোজনাৰ অধীনত লাখ লাখ লোকে নগদ ধন ৰহিত স্বাস্থ্য সেৱা লাভ কৰিছে আৰু এই সেৱাৰ পৰিসৰ

জ্যেষ্ঠ নাগৰিকলৈও সম্প্ৰসাৰিত কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে জন ঔষধী কেন্দ্ৰৰ মাধ্যমেৰে কম মূল্যত গুণগত ঔষধ যোগান ধৰা হৈছে। ই-সঞ্জীৱনীৰ দৰে ডিজিটেল মঞ্চ আৰু স্বচ্ছ ভাৰত অভিযানৰ দৰে উদ্যমসমূহে দেশত সৰ্বাত্মক আৰু শক্তিশালী স্বাস্থ্য প্ৰণালী নিৰ্মাণ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি শ্ৰী গাডকাৰীয়ে মন্তব্য কৰে। একেদৰে বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে ভাৰতে সম্প্ৰতি বিশ্বৰ কেইবাখনো বৃহৎ স্বাস্থ্য আঁচনি সফলতাৰে ৰূপায়ণ কৰা বুলি দাবী কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি সামাজিক মাধ্যমযোগে কয়, যে চৰকাৰে বেমাৰৰ ফলত কোনো পৰিয়ালে যাতে অৰ্থনৈতিক বোজা বহন কৰিবলগীয়া নহয় সেয়া নিশ্চিত কৰাৰ বাবে কাম কৰি আহিছে।

০০০০

ভাৰতে যোৱা ১২ বছৰত গুণগত স্বাস্থ্য সেৱা অধিক বহনক্ষম আৰু সুলভ কৰি তোলাৰ বাবে কাম কৰি আহিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। শ্ৰী মোদীয়ে আজি সামাজিক মাধ্যমযোগে কয়, যে আয়ুষ্মাণ ভাৰত যোজনাৰ জৰিয়তে দুখীয়া আৰু অভাৱী লোকসকলে গুণগত স্বাস্থ্য সেৱা লাভ কৰিবলৈ সমৰ্থ হৈছে আৰু জনঔষধী কেন্দ্ৰৰ মাধ্যমেৰে বহনক্ষম ঔষধ উপলব্ধ কৰোৱা হৈছে। তেওঁ কয়, যে ষ্টেন্ত আৰু আঠু সংৰোপণৰ ব্যয় হ্ৰাস পোৱাৰ ফলত ৰোগীসকল উপকৃত হৈছে। চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমৰ আসন বৃদ্ধি পোৱাৰ ফলত চিকিৎসক হোৱাৰ সপোন পূৰণৰ সুযোগো বাঢ়িছে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ কয়, যে চৰকাৰে এখন সুস্থ সৱল দেশ গঢ়ি তোলাৰ বাবে কাম কৰি যাব।

০০০০

বিধি বলৱৎকাৰী সঞ্চালকালয়, ই ডি-ৰ এটা অভিযোগৰ ভিত্তিত আমেৰিকা যুক্তৰাষ্ট্ৰৰ এটা সংস্থা আৰু আন ছগৰাকী লোকৰ বিৰুদ্ধে ভাৰতত গোচৰ ৰুজু কৰা হৈছে। ই ডিয়ে তেওঁলোকৰ বিৰুদ্ধে বিদেশী ডেবিট কাৰ্ডৰ জৰিয়তে বিদেশী পুঁজিৰ অবৈধ ব্যৱহাৰৰ অভিযোগ দাখিল কৰিছিল। এই পুঁজি দেশৰ বাওঁপন্থী সন্ত্ৰাসবাদী প্ৰভাৱিত অঞ্চলসমূহতো ব্যৱহাৰ হোৱাৰ অভিযোগ উঠিছিল। ই ডি-ৰ এই অভিযোগক ভিত্তি কৰি বেংগালুৰুৰ কোঠানুৰ আৰক্ষীয়ে ১১ জুনত ভাৰতীয় ন্যায় সংহিতা আৰু অবৈধ কাৰ্যকলাপ প্ৰতিৰোধ আইনৰ বিভিন্ন ধাৰাৰ অধীনত গোচৰ পঞ্জীয়ন কৰে।

ই ডি-ৰ মতে আয়কৰ আইন আৰু বিদেশী বিনিময় ব্যৱস্থাপনা আইনৰ অধীনত ১৮, ১৯ এপ্ৰিলত তালাচী চলোৱা হৈছিল। এই তালাচীত পোহৰলৈ অহা তথ্য অনুসৰি আমেৰিকাৰ এটা সংস্থাৰ সৈতে সম্পৰ্ক থকা অভিযুক্তকেইজনে আমেৰিকাৰ এটা বেংকৰ ডেবিট কাৰ্ড ব্যৱহাৰ কৰি ভাৰতত পুঁজিৰ ব্যৱহাৰ কৰিছিল। ই ডি-ৰ দাবী অনুসৰি যোৱা বছৰৰ নৱেম্বৰৰ পৰা চলিত বছৰৰ এপ্ৰিল পৰ্যন্ত বিদেশী বিনিময় ব্যৱস্থাপনা আইন আৰু বিদেশী অনুদান নিয়ন্ত্ৰণ আইনৰ ধাৰা উলংঘা কৰি প্ৰায় ৯২ কোটি ৫৫ লাখ টকা অবৈধভাৱে ব্যৱহাৰ কৰা হৈছিল।

০০০০

কেন্দ্ৰীয় চৰকাৰে বিশিষ্ট অৰ্থনীতিবিদ অধ্যাপক অলখ এম শৰ্মাক শ্ৰম পৰিসংখ্যা বিষয়ক উচ্চস্তৰীয় কাৰিকৰী বিশেষজ্ঞ সমিতিৰ অধ্যক্ষ হিচাপে নিয়োগ কৰিছে। সমিতিখনে দেশত কৰ্মসংস্থাপন আৰু শ্ৰম বজাৰৰ সৈতে জড়িত পৰিসংখ্যাৰ মূল্যায়ণ কৰিব আৰু সেইসমূহ নিখুঁট, ব্যাপক আৰু সময়মতে উপলব্ধ কৰোৱাৰ উপায় সম্পৰ্কে পৰামৰ্শ আগবঢ়াব। সমিতিখনে দেশৰ পৰিৱৰ্তিত শ্ৰম বজাৰৰো অধ্যয়ন কৰিব। অধ্যাপক শৰ্মা বৰ্তমান মানৱ বিকাশ প্ৰতিষ্ঠানৰ সঞ্চালক হিচাপে কৰ্মৰত। কৰ্ম সংস্থাপন, শ্ৰম আৰু দৰিদ্ৰতা, জীৱিকা আৰু উন্নয়নৰ সৈতে জড়িত বিষয়ৰ গৱেষণা আৰু নীতি প্ৰণয়নৰ ক্ষেত্ৰত তেওঁৰ চাৰি দশকৰো অধিক অভিজ্ঞতা আছে।

০০০০

দেশৰ পাহাৰীয়া আৰু দুৰ্গম অঞ্চলত ডাকযোগে সামগ্ৰী সৰবৰাহত সুবিধা হোৱাকৈ কেন্দ্ৰীয় চৰকাৰে বিশেষ সেৱাৰ শুভাৰম্ভ কৰিছে। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াই হিমাচল প্ৰদেশত এই সেৱাৰ শুভাৰম্ভ কৰে। এই অনুসৰি এতিয়াৰে পৰা ড্ৰোনৰ

সহায়ত পাহাৰীয়া আৰু দুৰ্গম অঞ্চললৈ ডাক সামগ্ৰী সৰবৰাহ কৰা হ’ব। এই সেৱা প্ৰথম পৰ্যায়ত ৰাজ্যখনৰ মাণ্ডিৰ মুখ্য ডাকঘৰ আৰু ৰেহৰধৰ শাখা ডাকঘৰৰ মাজত আৰম্ভ কৰা হৈছে।

যোগাযোগ মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, অহা দুই-তিনি মাহৰ ভিতৰতে অসমৰ প্ৰায় ১৫০টা নিৰ্বাচিত পথতো এই অত্যাধুনিক সেৱা সম্প্ৰসাৰণ কৰা হ’ব। অসমৰ দৰে নদী মাতৃক আৰু চৰ-চাপৰি থকা অঞ্চলৰ বাবে এই প্ৰযুক্তি এটি মাইলৰ খুঁটি হিচাপে বিবেচিত হ’ব বুলি আশা কৰা হৈছে।

পৰম্পৰাগত পথত ১২ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিবলৈ প্ৰয়োজন হোৱা প্ৰায় দুঘণ্টাৰ অধিক সময়ৰ পৰিৱৰ্তে ড্ৰোনৰ ব্যৱহাৰৰ ফলত এতিয়া মাত্ৰ ৭ মিনিটতে অতিক্ৰম কৰিব পৰা যাব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গ্ৰামীণ ডাক সেৱকসকলৰ সৈতে হোৱা আলোচনাৰ সময়ত এই সেৱাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত অৱগত হৈছিল।

০০০০

শ্ৰীলংকাৰ ৰাজধানী কলম্বোত আজি ৫ হাজাৰৰো অধিক শিল্পীয়ে একেলগে ভাৰতনাট্যম প্ৰদৰ্শন কৰি গীনিজ বিশ্ব অভিলেখ স্থাপন কৰে। এয়া হৈছে আজি পৰ্যন্ত আটাইতকৈ বেছি সংখ্যক শিল্পীয়ে ভাৰতনাট্যম প্ৰদৰ্শন কৰাৰ অনুষ্ঠান। ভাৰতৰ সংগমম গ্ল’বেল একাডেমী আৰু শ্ৰীলংকাৰ সমগমিঝ লিয়াৰ যৌথ উদ্যোগত কলম্বোৰ গালে ফেচত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত ভাৰত-শ্ৰীলংকাৰ লগতে আন কেইবাখনো দেশৰ নৃত্যশিল্পীয়ে ভাৰতীয় ধ্ৰুপদী নৃত্য আৰু সাংস্কৃতিক ঐতিহ্য প্ৰদৰ্শন কৰে। অংশগ্ৰহণকাৰীসকলে আকৰ্ষণীয় পৰম্পৰাগত সাজ-সজ্জাৰে গুৰুৰ নিৰ্দেশনাত নৃত্য প্ৰদৰ্শন কৰে। অনুষ্ঠানৰ পাছতে গীনিজ বিশ্ব অভিলেখৰ প্ৰমাণপত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। শ্ৰীলংকাত থকা ভাৰতৰ উচ্চায়ুক্ত সন্তোষ ঝাই নৃত্য প্ৰদৰ্শনকাৰী আৰু উদ্যোক্তাৰ হৈ বিশ্ব অভিলেখৰ প্ৰমাণপত্ৰ গ্ৰহণ কৰে। উচ্চায়ুক্ত ঝাই নৃত্যশিল্পী আৰু উদ্যোক্তাসকলক এই বিশ্ব স্বীকৃতি লাভ কৰাৰ বাবে অভিনন্দন জনোৱাৰ লগতে কয়, যে ভাৰত-শ্ৰীলংকাৰ বাসিন্দাসকলৰ মাজত পাৰস্পৰিক যোগাযোগ শক্তিশালী কৰাত সংস্কৃতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে।

০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি গ্ৰুপ-ডিৰ প্ৰথমখন খেলত অষ্ট্ৰেলিয়াই তুৰস্কক ২-০ গ’লত পৰাস্ত কৰে। অষ্ট্ৰেলিয়াৰ হৈ নেষ্ট’ৰী ইৰনকুণ্ডা আৰু ক’নৰ মেটকাফে একোটাকৈ গ’ল দিয়ে। ইয়াৰ পূৰ্বে স্কটলেণ্ডে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউজাৰ্চিত অনুষ্ঠিত প্ৰতিযোগিতাৰ গ্ৰুপ-চিৰ এখন খেলত হাইটিক ১-০ গ’লত পৰাস্ত কৰে। ইয়াৰ লগে লগে স্কটলেণ্ডৰ বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত জয়ৰ ২৮ বছৰীয়া অপেক্ষাৰ অন্ত পৰে।

ইপিনে কাটাৰ আৰু ছুইজাৰলেণ্ডৰ মাজত ছান ফ্ৰেন্সিচকো বে’ এৰিয়া ষ্টেডিয়ামত হোৱা গ্ৰুপ-বিৰ খেলখন ১-১ গ’লত ড্ৰ’ হয়। খেলখনত বি এম্বলোৱে দিয়া গ’লেৰে ছুইজাৰলেণ্ডে অগ্ৰগতি লাভ কৰে যদিও খেলৰ অতিৰিক্ত সময়ত কাটাৰে এম মুহিমৰ গ’লেৰে সমতা স্থাপন কৰে।

ইয়াৰ আগয়ে আজি পুৱতি নিশা চাৰে ৩ বজাত অনুষ্ঠিত ব্ৰাজিল আৰু মৰক্কোৰ মাজৰ খেলখনো ১-১ গ’লত ড্ৰ’ হয়।

০০০০

আইচিচি মহিলা টি-২০ ক্রিকেট বিশ্বকাপ ক্রিকেট প্ৰতিযোগিতাত আজি বাৰ্মিংহামৰ এজবেষ্টনত হবলগীয়া এখন খেলত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। মহিলা টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্রিকেটত পাকিস্তানৰ বিৰুদ্ধে সদায় উন্নত প্ৰদৰ্শন কৰি অহা ভাৰতে শেহতীয়া ১৬খন খেলৰ ভিতৰত ১৩খনতে জয়লাভ কৰিছে।

ইপিনে, বিশ্বকাপৰ গ্ৰুপ-বি' এখন খেলত কালি স্কটলেণ্ডে আয়াৰলেণ্ডক ৪০ ৰানত পৰাস্ত কৰে। স্কটলেণ্ডে মানচেষ্টাৰৰ অ'ল্ড ট্ৰেফ'ৰ্ডত অনুষ্ঠিত খেলখনত প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ১৬১ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত আয়াৰলেণ্ডে ১৯ অ'ভাৰ আৰু ১ বলত আটাইকেইটা উইকেট হেৰুৱাই ১২১ ৰানহে কৰিবলৈ সমৰ্থ হয়।

0000

সমাপ্ত